# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-03-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

বিত্তমন্ত্ৰী অজন্তা নেওগে কাইলৈ বিধানসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব। এইখনে হ'ব ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ৫ বছৰীয়া কাৰ্যকালৰ অন্তিমখন পূৰ্ণাংগ বাজেট। বিত্তমন্ত্ৰী অজন্তা নেওগে কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে চৰকাৰে এখন ভাল বাজেট উপস্থাপনৰ কাৰণে চেষ্টা কৰিছে। বাজেটত সামগ্ৰিকভাৱে ৰাজ্যৰ বিভিন্ন সমস্যাই স্থান পাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এইবাৰৰ বাজেটত বিকশিত অসমৰ লক্ষ্য পূৰণৰ উদ্দেশ্যেৰে কৃষক, দৰিদ্ৰ শ্ৰেণী, যুৱ প্ৰজন্ম আৰু মহিলা সৱলীকৰণৰ দৰে বিষয়সমূহত বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব।

০০০০০

ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে গোৱালপাৰা জিলা প্ৰশাসনে যাৱতীয় নিৰ্বাচনী প্ৰস্তুতি আৰম্ভ কৰিছে। উল্লেখযোগ্য পৰিষদৰ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ জিলাত ১৬টা সমষ্টি আছে। এই আটাইকেইটা পৰিষদীয় সমষ্টিৰ নিৰ্বাচন অহা ২ এপ্ৰিলত অনুষ্ঠিত হ'ব। ইতিমধ্যে গোৱালপাৰা জিলা প্ৰশাসনে বিভিন্ন ক্ষেত্ৰত বিষয়া-কৰ্মচাৰীসকলক নিয়োগ কৰি নিৰ্বাচন সুকলমে সম্পন্ন কৰিবলৈ কাম আৰম্ভ কৰিছে। কাইলৈৰ পৰা ১৫ মাৰ্চৰ বিয়লি ৩ বজালৈ জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা ইচ্ছুক প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ সংগ্ৰহ কৰাৰ লগতে দাখিল কৰিব পাৰিব। ১৭ মাৰ্চত মনোনয়ন পত্ৰ পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰিব। ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পৰা হ'ব। সেইদিনাই প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ২ এপ্ৰিলৰ নিৰ্বাচনৰ পাছত ৪ এপ্ৰিলৰ দিনা ভোট গণনা কৰি ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

বাক্সা জিলাৰ আখ্ৰাৰ তিনিআলিৰ পৰা বেতবাৰী হৈ টকুৰাকুছিলৈ মুখ্যমন্ত্ৰী উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত নিৰ্মাণ কৰিবলগীয়া এটা পকীপথৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই আজি আধাৰশিলা স্থাপন কৰে। প্ৰায় ৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া পথটোৱে আখ্ৰাৰ আৰু টকুৰাকুছিৰ মাজত যাতায়াত সুচল কৰি তুলিব বুলি অঞ্চলটোৰ ৰাইজে আশা প্ৰকাশ কৰিছে। মন্ত্ৰী শ্ৰীব্ৰহ্মই পৰৱৰ্তী সময়ত ৰূপহীলৈকে পথটোৰ পকীকৰণৰ কাম হাতত লোৱা হ'ব বুলি অনুষ্ঠানটোত অৱগত কৰে। ইয়াৰ লগতে মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ কেইবাটাও উন্নয়নমূলক আঁচনিৰ বিষয়েও ৰাইজক অৱগত কৰে।

০০০০০

বজালী জিলাৰ উজান উলুৱাস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীভোগেশ্বৰ মন্দিৰৰ বাকৰিত আজি উত্তৰ-পূৱ ভাৰত হৰিদেৱ সংঘৰ ৪৮ সংখ্যক দ্বিবাৰ্ষিক উলুৱা অধিবেশনৰ লাইখুটা স্থাপন কৰা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি নগেন চৌধুৰীয়ে লাইখুটা স্থাপন আৰু সভাপতি পুলিন চন্দ্ৰ গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰে। সমিতিৰ

প্ৰধান সম্পাদক কৰুণাকান্ত তালুকদাৰে স্মৃতি তৰ্পণ কৰাৰ লগতে  বহৰি, পাটা, হাউলী, হৰিপুৰ, বেছকুছি সত্ৰকে ধৰি বজালী আৰু বৰপেটা জিলাৰ বিভিন্ন সত্ৰৰ পৰা অহা ভকতবৃন্দই অংশগ্ৰহণ কৰা এই অনুষ্ঠানত অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদক ৰবীন ডেকাই উদ্দেশ্য বাখ্যা কৰে। অহা ২১, ২২ আৰু ২৩ মাৰ্চত ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে এই তিনিদিনীয়া অধিবেশন অনুষ্ঠিত হ'ব।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি নিউজিলেণ্ডে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। বাতৰি যুগুতোৱাৰ পৰলৈকে নিউজিলেণ্ডে ৪১ অভাৰত ৫টা উইকেট হেৰুৱাই ১৭৬ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০০

লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত আজি নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱে  ৰাণী কোচিং চেণ্টাৰক ২-০ গলত পৰাস্ত কৰে। জজ ফিল্ডত অনুষ্ঠিত আন এখন কোৱাৰ্টাৰ ফাইনেলত শ্বিলং লাজং ফুটবল ক্লাব আৰু লেনৰ'ল ফুটবল ক্লাৱ মুখামুখি হৈছে। কাইলৈ প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেল উত্তৰ পূৱ সীমান্ত ৰেলৱে ক্ৰীড়া সন্থা আৰু গ্লোৰেল ফুটবল ক্লাৱৰ মাজত অনুষ্ঠিত হ'ব। খেলখন চাৰে  চাৰি বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে কালি প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত উত্তৰ পূৱ সীমান্ত ৰেলৱে ক্ৰীড়া সন্থাই অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক ২-০ গলত পৰাস্ত কৰিছিল। আনহাতে,দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত গ্লোৰেল ফুটবল ক্লাৱে - ডুবি ক্ৰীড়া সন্থাক ৩-১ গলত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰিছিল।

০০০০০

বজালী জিলাৰ ১২৮ নম্বৰ বাঘমৰা গাঁও পঞ্চায়তৰ নিবাসী দিবাকৰ বড়োৰ কালি নিশা পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬০ বছৰ। প্ৰয়াত বড়ো, বড়ো সাহিত্য সভাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল। মানিকপুৰ প্ৰাথমিক বড়ো সাহিত্য সভাৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা প্ৰয়াত বড়ো বাঘমৰা আঞ্চলিক ছাত্ৰ সন্থাৰো প্ৰতিষ্ঠাপক ছাত্ৰনেতা আছিল। অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ সক্ৰিয় সহযোগী, সমাজকৰ্মীজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত